পাঠ ১০

E6B5I7

# বৰদৈচিলা



চ'তৰ বিহুত বৰদৈচিলা
মাকৰ ঘৰলৈ যায়,
গছ-গছনি ঘৰ-দুৱাৰ
নিয়ে উৰুৱাই।
হিল-দল ভাঙি
মেলিছে ঢাপলি,
লগত নিছে লগৰীয়া
যত বা-মাৰলি।
আউল বাউল চুলি মেলি
মাৰিছা কিয় লৰ?
লাহে ধীৰে গ'লেও দেখোন
পাবা মাৰাৰ ঘৰ।



চোতালত দিছোঁ বৰপীৰা
কাকৈ-ফণি তাতে,
মূৰৰ চুলি মেলাই যোৱা
ৰজাৰ ৰাজবাটে।
মাৰাই দিব মাধৈ ফুল
বাপেৰাই দিব খাৰু,
ককায়েৰাই দিব কাপোৰ-কানি
ভায়েৰাই দিব কেৰু।
শুবলৈ দিব শীতল পাটী*
বহিবলৈ দিব পীৰা,
খাবলৈ দিব জহা ধানৰ
দোৱা-ভজা চিৰা।
কাবৌ কৰি মাতিছো আমি
লাহে ধীৰে যোৱা,
আমাৰ পঁজা ঘৰ কেইটি
ভালে ভালে থোৱা।



**কবি-হেমচন্দ্ৰ** গোস্বামী

*(উৎস—মৰুৱা ফুল, পৃষ্ঠা— ১৩১, প্ৰকাশক—অসম প্ৰকাশন পৰিষদ, গুৱাহাটী)*



☞ *পদ্যটোৰ 'পাটি' বানানটো অভিধানৰ মতে —'পাটী'।*

## জানো আহা

> আজিৰ পৰা পঞ্চাশ বছৰমান আগতে ‘ৰঙালী বিহু’ক ‘চ’তৰ বিহু’ বুলিও কোৱা হৈছিল। আজি-কালি ‘চ’তৰ বিহু’ৰ ঠাইত ‘ৰঙালী বিহু’ বা ‘ব’হাগ বিহু’ বোলা হয়। ‘কাতি বিহু’ক ‘কঙালী বিহু’ আৰু ‘মাঘ বিহু’ক ‘ভোগালী বিহু’ বোলা হয়।

**ক্ৰিয়া-কলাপ**



### ক — পাঠভিত্তিক ক্ৰিয়া


**পদ্যটো শুদ্ধ উচ্চাৰণেৰে স্পষ্টকৈ পঢ়োঁ আহা**


**পদ্যটো আবৃত্তি কৰা।**


**উত্তৰ দিয়া।**

(ক)
- ‘বৰদৈচিলা’ পদ্যটো কোনে ৰচনা কৰিছে?
- চ’তৰ বিহুত হিল-দল ভাঙি কোনে মাকৰ ঘৰলৈ ঢাপলি মেলিছে?
- বৰদৈচিলাৰ লগৰীয়া কোন?
- মাকে বৰদৈচিলাক কি দিব?
- পদ্যটোৰ শেষত বৰদৈচিলাক কি কৰিবলৈ কাবৌ কৰা হৈছে?

(খ) ● বৰদৈচিলা আহিলে আমাৰ কি কি ক্ষতি হয়?

● বৰদৈচিলাক আদৰণি জনাবলৈ কবিয়ে কি কি কৰাৰ কথা কৈছে?

**শব্দৰ লগত অৰ্থ মিলোৱা—**

| | |
|---|---|
| বৰদৈচিলা | বেগাই যোৱা কাৰ্য |
| ঢাপলি | ৰাজ-আলি, অহা-যোৱা কৰা ৰাস্তা |
| লৰ | ব'হাগ বিহুৰ আগে-পাছে হোৱা ডাঙৰ ধুমুহা |
| কাঁকৈ | চেঁকুৰি যোৱা কাৰ্য |
| ৰাজবাট | চুলিৰ জঁট ভঙা দীঘলীয়া ফণি |
| কেৰু | খুৰা থকা কাঠৰ আসন |
| পীৰা | কাণত পিন্ধা এবিধ অলংকাৰ |

**বৰদৈচিলা মাকৰ ঘৰ আহি পালে কোনে কি দিব লিখা।**


● মাকে ____________

● বাপেকে ____________

● ককায়েকে ____________

● ভায়েকে ____________

**কাযৰ বৰপীৰাৰ পৰা শব্দ আনি বাক্যবোৰ সম্পূৰ্ণ কৰা।**




(ক) চুলি আঁচুৰিবলৈ ________ ব্যৱহাৰ কৰা হয়।

(খ) ব'হাগ বিহুৰ আগে-পাছে ________ আহে।

(গ) ________ এবিধ কাণত পিন্ধা অলংকাৰ।

(ঘ) সাধাৰণ পীৰাতকৈ ডাঙৰ কাঠৰ আসনক ________ বোলে।

(ঙ) জহকালি ________ পাটীত শুলে গা-মন জুৰ পৰে।

*নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*

'মূৰৰ চুলি মেলাই' মানে 'মূৰ আঁচুৰি'। কবিয়ে বৰদৈচিলাক কিহেৰে মূৰ আঁচুৰি যাবলৈ কৈছে?

পদ্যটোৰ মূল কথাখিনি কোৱা আৰু নিজৰ বহীত লিখা।

## খ— ভাষা অধ্যয়ন (ব্যাৱহাৰিক ব্যাকৰণ)

তলত উল্লেখ কৰা শব্দবোৰৰ বিপৰীত অৰ্থ বুজোৱা শব্দ পদ্যটোৰ পৰা বিচাৰি লিখোঁ আহা

উদাহৰণ — গঢ়ি ....................ভাঙি

(ক) বেগাই ............................

(খ) উষ্ণ ...............................

(গ) উঠিবলৈ .........................

(ঘ) ইয়াতে ..........................



তলৰ শব্দবোৰেৰে একোটাকৈ বাক্য সাজা।

বৰদৈচিলা ..................................................................................................

হিল-দল ভাঙি ..................................................................................................

ঢাপলি মেলা ..................................................................................................

শীতল-পাটি (পাটী) ..................................................................................................

মূৰৰ চুলি মেলাই ..................................................................................................

নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী

## জানো আহা



'মাৰাই দিব মাধৈ ফুল
বাপেৰাই দিব খাৰু,
ককায়েৰাই দিব কাপোৰ-কানি
ভায়েৰাই দিব কেৰু।'

ওপৰৰ পদ্যফাকিত থকা **'বাপেৰাই'**, **'ককায়েৰাই'**, **'ভায়েৰাই'** আদি পদে পুৰুষ বা পুংলিংগ বুজাইছে আৰু **'মাৰাই'** শব্দটোৱে স্ত্ৰী বা স্ত্ৰীলিংগ বুজাইছে। স্ত্ৰীলিংগত ওপৰৰ শব্দকেইটা **মাৰাই, বায়েৰাই, ভনীয়েৰাই** হ'ব।

## তলত দিয়া শব্দবোৰৰ বিপৰীত লিংগ লিখা।

| পুংলিংগ | স্ত্ৰীলিংগ |
|---|---|
| বাপেক | মাক |
| ককায়েক | |
| ভায়েক | |
| পেহাক | |
| শহুৰেক | |

| স্ত্ৰীলিংগ | পুংলিংগ |
|---|---|
| মাকে | বাপেকে |
| বায়েকে | |
| ভনীয়েকে | |
| পেহীয়েকে | |
| শাহুৰেকে | |

### গ — জ্ঞান সম্প্ৰসাৰণ

## জানো আহা

কিংবদন্তি মতে বৰদৈচিলা এগৰাকী দেৱীৰ নাম। বছৰেকত এবাৰ ব'হাগ বিহুৰ সময়ত তেওঁ মাকৰ ঘৰলৈ আহে আৰু কিছুদিন পাছত নিজৰ ঘৰলৈ উভতি যায়। মাকৰ ঘৰলৈ এইদৰে অহা-যোৱা কৰোঁতে প্ৰবল বেগেৰে গতি কৰাৰ ফলত ধুমুহাৰ সৃষ্টি হয়।

এই কিংবদন্তিৰ আধাৰতে কবিয়ে বৰদৈচিলাক বিভিন্ন ধৰণে বৰ্ণনা কৰাৰ লগতে অনুৰোধো জনাইছে। কবিৰ এই অনুৰোধৰ লগত কিছুমান লোক-বিশ্বাস জড়িত হৈ আছে।

*☞ নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*

উদাহৰণ স্বৰূপে, আজিও আমাৰ গাঁও অঞ্চলত বৰদৈচিলা অহাৰ সময়ত সহজ-সৰল গাঁৱৰ মানুহে চোতালত বৰপীৰা পাৰি দি তাৰ ওপৰত আৰ্চি, ফণি থৈ তেওঁক মূৰ ফণিয়াই শান্ত হ'বলৈ অনুৰোধ জনায়।

বৰদৈচিলা শব্দটো বহুতে বড়ো ভাষাৰ 'বৰ' (বতাহ), 'দৈ' (পানী) আৰু 'চিখ্‌লা' (গাভৰু বা গোসাঁনী) শব্দৰে গঠন হোৱা বুলি ভাবে। গতিকে শব্দটোৰ অৰ্থ হ'ব বতাহ-বৰষুণৰ গোসাঁনী।

**বৰদৈচিলাক বাপেকে খাৰু আৰু ভায়েকে কেৰু দিছে। ইয়াৰ বাহিৰে আৰু কি কি অসমৰ গহনা-গাঁঠৰি আছে লিখা।**

**ধুমুহা আহিলে তুমি কি কি সাৱধানতা ল'ব লাগে শিক্ষক বা অভিভাৱকক সুধি জানি লোৱা।**

**তোমালোকৰ অঞ্চলত কি কি লোক-উৎসৱ পালন কৰা হয় লিখা।**

জানো আহা

দুটা শব্দ লগ হৈ বা যোৰ হৈ গঠন হোৱা শব্দকে যুৰীয়া শব্দ বোলে।
উদাহৰণ— গছ-গছনি, ঘৰ-দুৱাৰ।
যুৰীয়া শব্দ তিনি প্ৰকাৰৰ—
কিছুমান যুৰীয়া শব্দত থকা দুয়োটা শব্দই প্ৰায় একে অৰ্থকে বুজায়। যেনে - পৰ্বত-পাহাৰ, গছ-গছনি।
কিছুমান যুৰীয়া শব্দই সিহঁতৰ নিজৰ অৰ্থৰ উপৰি এটি সমূহীয়া অৰ্থ বুজায়। যেনে- কাপোৰ-কানি, টকা-পইচা।
কিছুমান যুৰীয়া শব্দৰ দুয়োটা শব্দই অৰ্থৰ সমাহাৰ বুজায়। যেনে- ভাল-বেয়া, সুখ-দুখ।

*মোৰ মা, তোৰ মাৰ, তোমাৰ মাৰা আৰু তাৰ মাক — এনেদৰে পুৰুষ অনুসৰি বিভিন্ন সম্বন্ধবাচক শব্দৰ যে পৰিৱৰ্তন হয় তাক বুজাই ক'ব।*

পদ্যটোত থকা যুৰীয়া শব্দবোৰ বাছি উলিয়াই লিখা।

তলত কেইটামান সাঁথৰ দিয়া হৈছে। সেইবোৰৰ উত্তৰ কাষত ছবিৰে সানমিহলিকৈ দিয়া আছে। আঁচ টানি সঠিক উত্তৰটো মিলোৱা।



(ক) মাত আছে মানুহ নাই
ঘৰ আছে দুৱাৰ নাই—

(খ) ঢাপে ঢাপে গ'লোঁ
ঢাপলিকা পালোঁ
কুটি-বাছি থৈ
ছমাহলৈ খালোঁ—

(গ) চাৰিটাকৈ ভৰি মোৰ
হাত হ'লে দুখন
আনক মই কোলাত লওঁ
যিমানেই হওক ওজন—



(ঘ) প্ৰকল্প

- যিকোনো প্ৰাকৃতিক দুৰ্যোগৰ ছবি বাতৰি কাকত বা আলোচনীৰ পৰা সংগ্ৰহ কৰা। পুৰণি কেলেণ্ডাৰৰ খালী পৃষ্ঠাত সেইবোৰ আঠা লগোৱা। তলত প্ৰত্যেকটো দুৰ্যোগৰ নাম লিখা।

*বৰদৈচিলা আহিলে কি কি সাৱধানতা ল'ব লাগে তাক বুজাই দিব।*

*নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*